**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 07-11-2025
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

## HEADLINES

**::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত ৰাষ্ট্ৰীয় গীত বন্দে মাতৰমৰ ১৫০ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে বছৰজোৱা বিশেষ অনুষ্ঠানৰ শুভাৰম্ভ কৰিব।

২। কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণ আজি দুদিনীয়া অসম ভ্ৰমণসূচীৰে গুৱাহাটীত উপস্থিত হ'ব।

৩। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে গুৱাহাটীৰ লাচিত ঘাটত অহা দেওবাৰে হ'বলগীয়া ৯৩ সংখ্যক বায়ু সেনা দিৱসৰ কেন্দ্ৰীয় অনুষ্ঠানত অংশগ্ৰহণ কৰিব।

৪। বিহাৰ বিধানসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণ কালি প্ৰায় শান্তিপূৰ্ণভাৱে সম্পন্ন হয়।

*আৰু*

৫। ভাৰতীয় হকীৰ গৌৰবোজ্জল ১০০ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে আজি দেশজুৰি বিশেষ কাৰ্যসূচী গ্ৰহণ কৰা হব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত ৰাষ্ট্ৰীয় গীত বন্দে মাতৰমৰ ১৫০ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে বছৰজোৱা বিশেষ অনুষ্ঠানৰ শুভাৰম্ভ কৰিব। তেওঁ লগতে এটা স্মাৰক ডাক টিকট আৰু মুদ্ৰাও মুকলি কৰিব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সামাজিক মাধ্যমযোগে কয়, যে এই দিনটো প্ৰতিগৰাকী ভাৰতীয়ৰ বাবে এটা উল্লেখযোগ্য ক্ষণ। তেওঁ লগতে বন্দে মাতৰমক প্ৰজন্ম প্ৰজন্ম ধৰি অনুপ্ৰেৰণা যোগাই অহা আৰু সমগ্ৰ দেশত দেশপ্ৰেমৰ ভাবনা জগাই তোলাৰ আহ্বান বুলি অভিহিত কৰে। এই অনুষ্ঠানত বন্দে মাতৰম ৰাজহুৱা স্থানত বন্দে মাতৰমৰ পূৰ্ণ সংস্কৰণ গোৱা হ'ব আৰু সমাজৰ সকলো শ্ৰেণীৰ লোকে ইয়াত অংশগ্ৰহণ কৰিব। বংকীম চন্দ্ৰ ছেটাৰ্জীয়ে ১৮৭৫ ৰ সাত নৱেম্বৰত অক্ষয় নৱমীৰ দিনা বন্দে মাতৰম ৰচনা কৰিছিল। প্ৰথমবাৰ বংগদৰ্শন নামৰ সাহিত্যিক পত্ৰিকাত তেওঁৰ উপন্যাস আনন্দমঠৰ অংশ হিচাপে প্ৰকাশ পাইছিল। মাতৃভূমিৰ শক্তি, সমৃদ্ধি আৰু দেৱত্বৰ চিহ্ন হিচাপে দেশৰ একতা আৰু ৰাষ্ট্ৰীয় গৌৰৱৰ স্থায়ী প্ৰতীক হিচাপে পৰিগণিত হয়।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নতুন দিল্লীত কাইলৈ আইনী সাহায্য প্ৰদান ব্যৱস্থা বিষয়ক ৰাষ্ট্ৰীয় সন্মিলন উদ্বোধন কৰিব। এটা বিবৃতিত প্ৰকাশ পোৱা অনুসৰি, প্ৰধানমন্ত্ৰী মোদীয়ে ৰাষ্ট্ৰীয় আইন সেৱা প্ৰাধিকাৰীয়ে প্ৰস্তুত কৰা সামুহিক মধ্যস্থতা প্ৰশিক্ষণ আৰ্হি মুকলি কৰাৰ লগতে এটা সমাৰেশতো অংশ ল'ব।

দুদিনীয়া এই সন্মিলনত আইনী সেৱা, বিশেষকৈ আইনী সাহায্য প্ৰতিৰক্ষা পৰামৰ্শ ব্যৱস্থা, অৰ্ধ আইনী স্বেচ্ছাসেৱক, অধিবক্তাৰ দল, স্থায়ী লোক আদালত আৰু আইন সেৱা প্ৰতিষ্ঠানসমূহৰ আৰ্থিক ব্যৱস্থাপনা সন্দৰ্ভত আলোচনা অনুষ্ঠিত হ'ব।

০০০০০

কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণ আজি দুদিনীয়া অসম ভ্ৰমণসূচীৰে গুৱাহাটীত উপস্থিত হ'ব। সন্ধিয়াৰ ভাগত তেওঁ উজান বজাৰত ব্ৰহ্মপুত্ৰ ৰিভাৰ ফ্ৰন্টৰ সতী ৰাধিকা শান্তি উদ্যান আৰু পাণবজাৰৰ গে'টৰে অৰ গুৱাহাটীৰ অত্যাধুনিক ফেৰী টাৰ্মিনেল আৰু জেটি উদ্বোধন কৰিব। অনুষ্ঠানত মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মা, জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱা আৰু পৰিবহণ মন্ত্ৰী চৰণ বড়ো উপস্থিত থাকিব। এই প্ৰকল্পই গুৱাহাটী মহানগৰীৰ আন্তঃগাঁথনি আৰু যোগাযোগ ব্যৱস্থা শক্তিশালী কৰিব বুলি আশা কৰা হৈছে। ইয়াৰ পূৰ্বে মন্ত্ৰীগৰাকীয়ে জাগীৰোডৰ ছেমি কণ্ডাক্টৰ প্ৰকল্পস্থলী পৰিদৰ্শন কৰিব। প্ৰকল্পস্থলীত আয়োজিত এটা অনুষ্ঠানত বিত্তমন্ত্ৰীগৰাকীয়ে প্ৰায় ৩০০ গৰাকী যুৱক-যুৱতীৰ সৈতে মত বিনিময় কৰিব।

০০০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে গুৱাহাটীৰ লাচিত ঘাটত অহা দেওবাৰে হ'বলগীয়া ৯৩ সংখ্যক বায়ু সেনা দিৱসৰ কেন্দ্ৰীয় অনুষ্ঠানত অংশগ্ৰহণ কৰিব। এই অনুষ্ঠানৰ অংশ হিচাপে সেইদিনা দুপৰীয়া চাৰে ১২ বজাৰ পৰা দিনৰ দুই বজালৈ এয়াৰ শ্ব' প্ৰদৰ্শন কৰা হ'ব। কেন্দ্ৰীয়ভাৱে অনুষ্ঠিত এই এয়াৰ শ্ব'ত ৰাফেল, মিগ, ছুখয় আদিৰ দৰে ৭৫ খন বিমানে ভাগ ল'ব। বিদ্যালয়, মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ লগতে বৃদ্ধা শ্ৰমৰ আবাসীসকলক অনুষ্ঠানলৈ নিমন্ত্ৰণ জনোৱা হৈছে। গুৱাহাটীৰ উজান বজাৰৰ নতুন পাৰ্কৰ পৰা ইচ্ছুক ব্যক্তিসকলে ফ্লাইং শ্ব' চাব পাৰিব। জনসাধাৰণে সুবিধা অনুযায়ী গুৱাহাটীৰ নিজৰ ঘৰৰ পৰাও এই শ্ব'টো উপভোগ কৰিব পাৰিব। মহানগৰীৰ অশ্বক্লান্ত মন্দিৰৰ প্ৰাংগণত অতিথিৰ বাবে এয়াৰ শ্ব' চোৱাৰ ব্যৱস্থা কৰা হৈছে।

০০০০০

ভাৰত আৰু লাক্সেমবাৰ্গে বিজ্ঞান, প্ৰযুক্তি আৰু মহাকাশ অন্বেষণ আদি খণ্ডত সহযোগিতা শক্তিশালী কৰাৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ কথা দোহাৰিছে। নতুন দিল্লীত কালি বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰী ড০ জিতেন্দ্ৰ সিং আৰু লাক্সেমবাৰ্গৰ ৰাষ্ট্ৰদূত ক্ৰিষ্টীয়ান বিভাৰে ইউৰোপৰ বজাৰত ভাৰতীয় মহাকাশ ষ্টাৰ্টআপসমূহৰ প্ৰসাৰৰ বাবে নতুন পথ অন্বেষণ সন্দৰ্ভত আলোচনা কৰে। বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে এই বৈঠকত চাইবাৰ সুৰক্ষা, কোৱাণ্টাম প্ৰযুক্তি আৰু কৃত্ৰিম বুদ্ধিমত্তা আদিৰ দৰে উদ্ভাৱন চালিত খণ্ডসমূহত যুটীয়া উদ্যমৰ প্ৰসাৰ সন্দৰ্ভত বিতংভাৱে আলোচনা কৰা হয়।

ড০ সিঙে বিশ্বৰ বৈজ্ঞানিক প্ৰকাশন আৰু ষ্টাৰ্টআপৰ ক্ষেত্ৰত ভাৰত বিশ্বৰ দেশসমূহৰ ভিতৰত তৃতীয় স্থান থকাৰ বিষয়ে উল্লেখ কৰি বিজ্ঞান আৰু উদ্ভাৱন খণ্ডত ভাৰত বিশ্ব নেতা হোৱাৰ দিশে আগবঢ়া সন্দৰ্ভত আলোকপাত কৰে। ভাৰত আৰু লাক্সেমবাৰ্গৰ মাজত সক্ৰিয় অংশগ্ৰহণৰ বিষয়ে আলোকপাত কৰি ড০ সিঙে কয়, যে পি এছ এল ভি ৰকেটেৰে লাক্সেমবাৰ্গৰ দুটা কৃত্ৰিম উপগ্ৰহ উৎক্ষেপণ কৰা হৈছে।

০০০০০

বিহাৰ বিধানসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণ কালি প্ৰায় শান্তিপূৰ্ণভাৱে সম্পন্ন হয়। এই পৰ্যায়ত অভিলেখ সংখ্যক ৬৪ দশমিক ৬-৬ শতাংশ ভোটদাতাই ভোটদানৰ অধিকাৰ সাব্যস্ত কৰে। ইয়াৰ লগে লগে এই পৰ্যায়ত প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা এহেজাৰ ৩১৪ গৰাকী প্ৰাৰ্থীৰ ৰাজনৈতিক ভাগ্য ই ভি এমত বন্দী হয়। প্ৰথম পৰ্যায়ত প্ৰতিদ্বন্দ্বিতা কৰা আগশাৰীৰ প্ৰাৰ্থীসকলৰ ভিতৰত বিজেপিৰ নেতা তথা ৰাজ্যখনৰ উপ-মুখ্যমন্ত্ৰী সম্ৰাট ছৌধৰী, বিজয় কুমাৰ সিন্‌হা, নীতিশ কুমাৰ মন্ত্ৰীসভাৰ ১৬ গৰাকী সদস্য আৰু আৰ জে দি নেতা তথা মহামিত্ৰজোঁটৰ

মুখ্যমন্ত্ৰী পদৰ প্ৰাৰ্থী তেজস্বী যাদৱ অন্যতম। লক্ষীচৰাই জিলাত একাংশ দুষ্কৃতিকাৰীয়ে এটা ভোটগ্ৰহণ কেন্দ্ৰৰ সমীপত উপ-মুখ্যমন্ত্ৰী তথা বিজেপিৰ প্ৰাৰ্থী  বিজয় কুমাৰ সিনহাৰ কনভয়ত আক্ৰমণ কৰে। নিৰ্বাচন আয়োগে ঘটনাটো গুৰুত্ব সহকাৰে লৈছে আৰু আৰক্ষী সঞ্চালক প্ৰধান বিনয় কুমাৰক ঘটনাৰ সৈতে জড়িত সকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিছে।

০০০০০

থাইলেণ্ডৰ ৰাজধানী বেংককত থকা ভাৰতীয় দূতাবাস আৰু ছিয়াং মাইস্থিত ভাৰতীয় বাণিজ্যিক দূতাবাসে দেশখনৰ সীমান্তৱৰ্তী চহৰ মাইছোটৰ পৰা ২৬ গৰাকী মহিলাসহ ২৭০ গৰাকী ভাৰতীয় নাগৰিকক স্বদেশলৈ ঘূৰাই অনাত সহায় কৰে। থাইলেণ্ড চৰকাৰৰ সহযোগত ভাৰতীয় বায়ুসেনাৰ দুখন বিশেষ বিমানেৰে এই অভিযান সম্পূৰ্ণ কৰা হয়। থাইলেণ্ডৰ বিভিন্ন সংস্থাই দেশখনত অবৈধভাৱে প্ৰৱেশ কৰি প্ৰব্ৰজন আইন ভংগ কৰাৰ বাবে এই লোককেইজনক আটক কৰিছিল। বেংককত থকা ভাৰতীয় দূতাবাসে সামাজিক মাধ্যমৰ এটা পোষ্ট যোগে কৈছে যে, ভাৰতীয় নাগৰিকসকলে অলপতে ম্যানমাৰৰ ম্যাৱাৰি হৈ থাইলেণ্ডত প্ৰৱেশ কৰিছিল। তেওঁলোকে চাইবাৰ কেলেংকাৰী কেন্দ্ৰত নিয়োজিত আছিল বুলি অভিযোগ উঠিছে। থাইলেণ্ড আৰু ম্যানমাৰত থকা ভাৰতীয় দূতাবাসে এই লোকসকলক স্বদেশলৈ ঘূৰাই অনাৰ বাবে দেশ দুখনৰ চৰকাৰৰ সৈতে কাম কৰি আছিল। ভাৰতীয় দূতাবাসে বিদেশত চাকৰিৰ প্ৰস্তাৱ গ্ৰহণ কৰাৰ পূৰ্বে নিয়োগকৰ্তা আৰু ভৰ্তিকৰণ সংস্থাসমূহৰ বিশ্বাসযোগ্যতাৰ বিষয়টো চালিজাৰি চাবলৈ নাগৰিকসকলক আহ্বান জনাইছে।

০০০০০

ভাৰতীয় হকীৰ গৌৰবোজ্জল ১০০ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে  আজি দেশজুৰি বিশেষ কাৰ্যসূচী গ্ৰহণ কৰা হব। শতবৰ্ষ উদযাপনৰ অংশ হিচাপে আজি দেশৰ ৫৫০ খন জিলাত এহেজাৰ ৪০০ খনৰো অধিক খেলৰ আয়োজন কৰা হৈছে। নতুন দিল্লীৰ মেজৰ ধ্যানচন্দ নেচনেল ষ্টেডিয়ামত পুৱা চাৰে ৮ বজাত হ'বলগীয়া মূল অনুষ্ঠানত ভাৰতীয় হকীৰ গৌৰবোজ্জল যাত্ৰা প্ৰতিফলিত কৰা এলানি বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। ইউনিয়ন মিনিষ্টাৰ ইলেভেন আৰু হকী ইণ্ডিয়াজ মিক্সড ইলেভেনৰ মাজত এখন আধা ঘণ্টাৰ প্ৰদৰ্শনীমূলক খেলৰো আয়োজন কৰা হৈছে। খেলখনত মহিলা আৰু পুৰুষ ৰাষ্ট্ৰীয় দলৰ আগশাৰীৰ খেলুৱৈসকলে ভাগ ল'ব। ইয়াৰ পাছতে হকীৰ কিংবদন্তী খেলুৱৈসকলক সম্বৰ্ধনা জনোৱা হ'ব।

০০০০০

সাংসদ খেল মহোৎসৱৰ অংশ হিচাপে অহা ১৬ নৱেম্বৰত নতুন দিল্লীত নমো ৰান মাৰাথনৰ আয়োজন কৰা হৈছে। কৰ্প'ৰেট পৰিক্ৰমা দপ্তৰৰ ৰাজ্য মন্ত্ৰী হৰ্ষ মলহোত্ৰাই খেল মহোৎসৱ উদ্বোধন কৰি এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে প্ৰায় ৩০ হাজাৰ প্ৰতিযোগীয়ে খেল মহোৎসৱত পঞ্জীয়ন কৰিছে। তিনিটা পৰ্যায়ত আয়োজন কৰা এই মহোৎসৱত ভাৰতীয় পৰম্পৰাগত খেলসমূহৰ উপৰি অলিম্পিকত অন্তৰ্ভুক্ত কৰা খেলো অনুষ্ঠিত হ'ব বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। তেওঁ লগতে কয়, যে প্ৰতিযোগিতাত ভাল প্ৰদৰ্শন কৰিবলৈ সমৰ্থ হোৱা খেলুৱৈসকলক প্ৰশিক্ষক আৰু অন্যান্য সা-সুবিধাৰ লগতে অত্যাধুনিক সুবিধাযুক্ত ষ্টেডিয়ামত খেলাৰ সুযোগ দিয়া হ'ব। এই পদক্ষেপে যুৱক-যুৱতীসকলক দক্ষতা বিকাশত সহায় কৰিব আৰু বিশ্বৰ সমুখত ভাৰতক গৌৰৱান্বিত কৰি তুলিব বুলি শ্ৰী মলহোত্ৰাই আশা প্ৰকাশ কৰে।

০০০০০

গোৱাত অনুষ্ঠিত বিশ্বকাপ দবা প্ৰতিযোগিতাৰ আজি ভাৰতৰ আঠগৰাকী খেলুৱৈ দ্বিতীয় ৰাউণ্ডত অৱতীৰ্ণ হ'ব। এই খেলুৱৈসকলৰ ভিতৰত আৰ প্ৰজ্ঞানন্দ, ৰিদিত গুজৰাটী, নিহাল চৰিন, প্ৰণব ভি, এছ্ এল নাৰায়ণন, কাৰ্তিকেয়ন মুৰলী, প্ৰণেশ এম আৰু ৰৌনক সাধৱানী আছে। দি গুকেশ, অৰ্জুন এৰিগেইছি, পেণ্টালা হৰিকৃষ্ণা, দীপ্তায়ন ঘোষ আৰু কাৰ্তিক ভেংকতৰমনেও ইতিমধ্যে তৃতীয় ৰাউণ্ডত প্ৰৱেশ কৰিছে।

ooooo

সমাপ্ত